চাদাক্বাই কেতিয়াও সম্পদ হ্ৰাস নকৰে আৰু যি ব্যক্তিয়ে ক্ষমা কৰে, আল্লাহে তাৰ সন্মান বৃদ্ধি কৰি দিয়ে। এইদৰে যি ব্যক্তিয়ে আল্লাহৰ (সন্তুষ্টি অৰ্জনৰ) বাবে বিনয়ী হ’ব, আল্লাহে তাক উচ্চ মর্যাদালৈ উন্নীত কৰিব।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ চাদাক্বাই কেতিয়াও সম্পদ হ্ৰাস নকৰে আৰু যি ব্যক্তিয়ে ক্ষমা কৰে, আল্লাহে তাৰ সন্মান বৃদ্ধি কৰি দিয়ে। এইদৰে যি ব্যক্তিয়ে আল্লাহৰ (সন্তুষ্টি
অৰ্জনৰ) বাবে বিনয়ী হ’ব, আল্লাহে তাক উচ্চ মর্যাদালৈ উন্নীত কৰিব।
[ছহীহ] [(মুছলিম)]

নবী চাল্লাল্লাহু ‘আলাইহি অছাল্লামে হাদীছটোত উল্লেখ কৰিছে যে, চাদাক্বাৰ ফলত কেতিয়াও সম্পদ হ্ৰাস নহয়; বৰং ইয়াৰ দ্বাৰা বিপদ-আপদ দূৰ হয়। লগতে আল্লাহে ইয়াৰ মাধ্যমত ব্যক্তিক অপৰিসীম কল্যাণ দান কৰে। ফলত তাৰ সম্পদ বৃদ্ধিহে হয়, হ্ৰাস নহয়। প্রতিশোধ লোৱাৰ সামৰ্থ থকা সত্ত্বেও অথবা ব্যক্তিক জবাবদিহি কৰাৰ ক্ষমতা থকা সত্ত্বেও যি ব্যক্তিয়ে কাৰোবাক ক্ষমা কৰি দিয়ে, আল্লাহে তাৰ শক্তি আৰু মৰ্যাদা বৃদ্ধি কৰি দিয়ে। আৰু কাৰোবাক ভয় নকৰাকৈ অথবা কাৰোবাক তোষামোদ নকৰাকৈ বা কাৰোবাৰ পৰা উপকাৰ লাভৰ প্রত্যাশা নকৰাকৈ কোনোবাই যদি আল্লাহৰ সন্তুষ্টি অৰ্জনৰ বাবে বিনীত হয়, তেন্তে আল্লাহে তাৰ সন্মান আৰু মৰ্যাদা বৃদ্ধি কৰি দিয়ে।

http://www.sunnah.global/hadeeth/as/show/5512